চাহিদা পূৰণ কৰে এই সম্পৰ্কে ভাষাবিজ্ঞানে বিচাৰ কৰে।

**৪.০৩ ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান ঃ**

ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান দুয়োটা মূলতঃ ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়নৰ সৈতে জড়িত। দুয়োটাৰেই মূল লক্ষ্য হৈছে, ভাষাৰ অধ্যয়ন। এইফালৰ পৰা দুয়োটাৰে ব্যুৎপত্তিগত অৰ্থ আৰু প্ৰকৃতিৰ ফালৰ পৰা মিল আছে যদিও দুয়োটাৰে ভাষাৰ অধ্যয়নৰ বিষয়বস্তু আৰু প্ৰণালীৰ ক্ষেত্ৰত ভালেখিনি পাৰ্থক্য আছে। তলত দুয়োটাৰে গুণগত পাৰ্থক্যসমূহ উল্লেখ কৰা হৈছে।

(ক) ভাষাতত্ত্বৰ আলোচনাৰ সমৃদ্ধি ঘটিছিল অষ্টাদশ শতিকাৰ জাৰ্মান পণ্ডিতসকলৰ হাতত, আনহাতে ভাষাবিজ্ঞানৰ আলোচনাই সমৃদ্ধি লাভ কৰিছিল বিংশ শতিকাৰ ইউৰোপ আৰু আমেৰিকাৰ পণ্ডিতসকলৰ হাতত। বৰ্তমান ভাষাতত্ত্বৰ আলোচনাতকৈ ভাষাবিজ্ঞানৰ আলোচনা বেছি সৰবৰহী হৈ উঠিছে।

(খ) ভাষাতত্ত্বৰ আলোচনা অতি সীমাবদ্ধ। ভাষাতত্ত্বত ভাষা বিশেষৰ উৎস, বংশৰ ইতিহাস আদি সম্পৰ্কে আলোচনা আগবঢ়োৱা হয়। তদুপৰি জাতি আৰু সংস্কৃতিৰ লগত ভাষাৰ যে অবিচ্ছেদ্য সম্পৰ্ক এই কথা প্ৰাচীন ভাষাতত্ত্বৰ আলোচনাত বেছি গুৰুত্ব দিয়া হৈছিল। এই ধাৰাৰ আলোচনাত ভাষাৰ গঠনৰ আলোচনাতকৈ ভাষা এটাৰ সাংস্কৃতিক তাৎপৰ্য আৰু সাংস্কৃতিক পটভূমিৰ সম্পৰ্কেহে বিশদভাৱে আলোচনা আগবঢ়ায়।

আনহাতে ভাষাবিজ্ঞানৰ আলোচনা অতি বিস্তৃত। ভাষাবিজ্ঞানৰ আলোচনাত ভাষা এটাৰ ইতিহাস অধ্যয়ন কৰাৰ উপৰি ভাষাৰ পৰিৱৰ্তন সম্পৰ্কেও আলোচনা কৰা হয়, অৰ্থাৎ ভাষা এটা কালন্তৰৰ পৰা আন এটা কালন্তৰৰ মাজত পাৰ্থক্য কেনেধৰণৰ বা পৰিৱৰ্তনৰ গতি-প্ৰকৃতি কেনেধৰণৰ এনেবিলাক কথা ঐতিহাসিক ভাষাবিজ্ঞানৰ ভিতৰুৱা। তদুপৰি বৰ্ণনাত্মক ভাষাবিজ্ঞানত এক কালখণ্ড জুৰি প্ৰচলিত হৈ থকা ভাষাৰ উপাদান ধ্বনি, ৰূপ, বাক্য, অৰ্থ আদিৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ কথাও প্ৰণালীবদ্ধভাৱে বিচাৰ কৰা হয়, অৰ্থাৎ ভাষাৰ চলিত প্ৰবাহ অৰ্থাৎ ভাষাৰ কথিত ৰূপটোৰ গাঁথনিক স্বৰূপ বিশ্লেষণ কৰাই ভাষাবিজ্ঞানৰ প্ৰকৃত লক্ষ্য।

(গ) ভাষাতত্ত্বৰ অধ্যয়নত লিখিত নথি-পত্ৰক ভাষাৰ অধ্যয়নৰ সামগ্ৰী হিচাপে গ্ৰহণ কৰা হয়। সাধাৰণতে ভাষাতত্ত্বত ভাষা এটাৰ বিশেষৰ পৰা বিশেষলৈ অন্তৰ্নিহিত হৈ থকা তাৎপৰ্য উদ্‌ঘাটন কৰা হয়। কোনো ভাষা বিশেষৰ পুৰণি পুথি, শিলালিপি, তাম্ৰফলি আদিৰ বিবিধ পাঠ উদ্ধাৰ কৰি আলোচনাৰ জৰিয়তে ভাষাৰ শুদ্ধ আৰু পূৰ্ণৰূপ নিৰ্ণয় কৰাতেই ভাষাতাত্ত্বিকসকল ব্যস্ত থাকে[৫]। ইয়াত কোনো বৈজ্ঞানিক সূত্ৰ খটোৱা নহয়। অৱশ্যে ঊনবিংশ শতিকাৰ পৰা ভাষাতত্ত্বৰ আলোচনাতো ভাষাবিষয়ক সাধাৰণ সূত্ৰ আৱিষ্কাৰ হয়, পাছলৈ এই সাধাৰণ সূত্ৰৰ আধাৰতে ভাষাৰ আলোচনা ভাষাতত্ত্বৰ পৰা ভাষাবিজ্ঞানৰ শাৰীলৈ উন্নীত হৈছে। বৰ্তমান ভাষাতত্ত্বৰ আলোচনা সংকীৰ্ণ হৈ আহিছে; ভাষাৰ আলোচনা বিজ্ঞানভিত্তিক হোৱাত ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ মাজত সীমাৰেখা টনা জটিল হৈ পৰিছে।

ভাষাবিজ্ঞানৰ আলোচনাত ভাষাৰ কথিত আৰু লিখিত দুয়োটা ৰূপকে সামৰি লোৱা হয়। অৱশ্যে এই অধ্যয়নত কথিত ভাষাকহে অগ্ৰাধিকাৰ দিয়া হয়। ভাষাবিজ্ঞানত আৰোহী পদ্ধতিৰে (Inductive method) ভাষা এটাৰ বিশেষৰ পৰা সাধাৰণলৈ অন্তৰ্নিৰ্হিত হৈ থকা তাৎপৰ্য উদ্‌ঘাটন কৰা হয়। ভাষাবিজ্ঞানৰ প্ৰধান লক্ষ্য হৈছে, ভাষা বিশ্লেষণৰ তত্ত্ব অৰ্থাৎ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্বৰ আধাৰত কোনো এটা ভাষাৰ বা ভাষাসমূহত নিহিত হৈ থকা উপাদানসমূহৰ বিচাৰ-বিশ্লেষণৰ জৰিয়তে ভাষাটোৰ এটা সম্যক ৰূপ দাঙি ধৰা।

(ঘ) ভাষাতাত্ত্বিকে ভাষাক এটা জাতিৰ সাংস্কৃতিক অংগ হিচাপে লয়। আনহাতে ভাষাবিজ্ঞানীয়ে ভাষাক প্ৰাকৃতিক বস্তু হিচাপে গ্ৰহণ কৰে।[৬] ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা ভাষাতাত্ত্বিকসকলে ভাষাক প্ৰাকৃতিক বিজ্ঞান(Natural Science)ৰ অন্তৰ্ভুক্ত কৰি ভাষাৰ প্ৰাচীন ধাৰাৰ পৰা আঁতৰি আহি অন্যান্য বিজ্ঞানৰ দৰে ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়নত মনোযোগ দিয়ে। এই সম্পৰ্কত ৰাস্কে কোৱা এটা উক্তি উনুকিয়াব পাৰি — "ভাষা এক প্ৰাকৃতিক বস্তু, ইয়াৰ অধ্যয়নো প্ৰাকৃতিক বুৰঞ্জীৰ অনুৰূপ হ'ব লাগে"।[৭]